# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-07-2026
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

লোকসভাত আজি লোক পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) সংশোধনী বিধেয়ক, ২০২৬ গৃহীতকৰণ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। প্ৰথমবাৰৰ বাবে নিম্ন সদন স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত এই বিধেয়কখনক লৈ আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ জে ডি ইউৰ সাংসদ দিলেশ্বৰ কামাইটে সংসদত এই বিধেয়কখন অনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাই কয়, যে এই বিধেয়কে শিক্ষা ব্যৱস্থাত স্বচ্ছতা বৃদ্ধিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ উজ্বল ভৱিষ্যত সুনিশ্চিত কৰিব। বিধেয়কখনৰ বিৰোধিতা কৰি আৰ এছ্ পিৰ সাংসদ এন কে প্ৰেমাচন্দ্ৰনে ইয়াত সন্নিবিষ্ট উদ্দেশ্যসমূহ প্ৰাপ্তিৰ ক্ষেত্ৰত বিধেয়কখন পৰ্যাপ্ত নহয় বুলি উল্লেখ কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ লগে লগে অধ্যক্ষ ওম বিৰলাই ভাৰোত্তোলক হৰজিন্দৰ কৌৰ আৰু এথলিট গুলবীৰ সিঙক গ্লাছগ'ত অনুষ্ঠিত ২৩ সংখ্যক কমনৱেল্থ গেমছত ৰূপৰ পদক লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সদনৰ হৈ শ্ৰী বিৰলাই খেলুৱৈসকলৰ লগতে প্ৰশিক্ষকসকলক ৰাষ্ট্ৰলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে অভিনন্দন জনায়। ইয়াৰ পাছত অধ্যক্ষই প্ৰশ্নোত্তৰ শিতান আৰম্ভ কৰাৰ লগে লগে বিৰোধী পক্ষই শিক্ষাৰ্থীসকলৰ প্ৰতিবাদৰ বিষয়টোক লৈ আৰক্ষীৰ কাৰ্যকলাপৰ বিৰুদ্ধে শ্ল'গান দিবলৈ আৰম্ভ কৰে। শ্ৰী বিৰলাই কয়, যে প্ৰশ্নোত্তৰ ঘণ্টা সদনৰ প্ৰতিগৰাকী সদস্যৰ বাবে গুৰুত্বপূৰ্ণ আৰু এই সময়ছোৱাতে সদস্যসকলে বিভিন্ন বিষয়ত চৰকাৰৰ পৰা উত্তৰ বিচাৰিব পাৰে। তেওঁ কয়, যে একাংশ বিৰোধী সদস্যই উদ্দেশ্য প্ৰণোদিতভাৱে প্ৰশ্নোত্তৰ ঘণ্টা ব্যাহত কৰিবলৈ চেষ্টা কৰিছে আৰু এয়া কোনোপধ্যেই সঠিক কথা নহয় আৰু সংসদীয় পৰম্পৰাৰ পৰিপন্থী।

বাইট-ওম বিৰলা

হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাম-কাজ ১২ বজালৈ স্থগিত ঘোষণা কৰে।

ইপিনে, নীটৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা সন্দৰ্ভত শিক্ষাৰ্থীসকলৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাক কেন্দ্ৰ কৰি বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে প্ৰশ্নকাল চলাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধীপক্ষৰ সদস্যসকলে তেওঁলোকৰ দাবীৰে শ্লোগান দিবলৈ আৰম্ভ কৰে। হুলস্থুলীয়া পৰিস্থিতি অব্যাহগত থকাত সভাপতিয়ে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ এঘাৰ বজাত সদন মিলিত হোৱাৰ সময়ত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে কয়লা, খনিজ আৰু ষ্টিল সন্দৰ্ভত সংসদীয় সমিতিৰ সম্পৰ্কীয় বিভাগৰ প্ৰতিবেদনকে ধৰি কেইবাটাও বিষয় সদনত উত্থাপন কৰে। ইয়াৰ পাছত সভাপতি চি পি ৰাধাকৃষ্ণণে প্ৰশ্নকাল চলাই নিয়ে। চি পি আই এমৰ সাংসদ জন ব্ৰিটাছে জে এন ইউৰ ছাত্ৰ সংগঠনৰ সভাপতি আইচি ঘোষৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ বাবে দিল্লী আৰক্ষীয়ে নতুন দিল্লীৰ চি পি আই এমৰ মুখ্য কাৰ্যালয়ত অবৈধভাৱে প্ৰৱেশ কৰাৰ বিষয়টো উত্থাপন কৰে। এই বিষয়টোৰ প্ৰতি সঁহাৰি জনাই সদনৰ নেতা জে পি নাড্ডাই কয় যে এয়া আছিল নিয়মীয়া আইন-কানুন ব্যৱস্থাৰ এটা অংশ। যেতিয়া কোনো ছাত্ৰই কোনো প্ৰতিবাদী কাৰ্যত অংশ লয় অথবা আইন নিজৰ হাতত তুলি লয়, আৰক্ষীয়ে ইয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি শ্ৰীনাড্ডাই উল্লেখ কৰে। তেওঁ লগতে জৰুৰীকালীন সময়ত তেওঁকো শ্ৰেণীকোঠাৰ পৰা আটক কৰা হৈছিল বুলি প্ৰকাশ কৰে।

বাইট - নাড্ডা

ইয়াৰ পাছতো বিৰোধী সদস্যসকলে প্ৰতিবাদ অব্যহত ৰখাত সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বিশ্বত বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে ২৯ জুলাইৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস উপলক্ষে বন্যপ্ৰাণী প্ৰেমীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰী ৰাধাকৃষ্ণণে কয়, যে ভাৰতত বাঘৰ সংখ্যা পৃথিৱীৰ ভিতৰতে সৰ্বাধিক। এই সফলতাৰ আঁৰত ব্যাঘ্ৰ সংৰক্ষণস্থলী উন্নীতকৰণ, বিজ্ঞানসন্মত নিৰীক্ষণ, চোৰাং চিকাৰ ৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ লগতে বনকৰ্মী, বিজ্ঞানী, বন সংৰক্ষণকাৰী আৰু স্থানীয় লোকসকলৰ ভূমিকা উল্লেখযোগ্য বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বিশ্বৰ মুঠ বাঘৰ ৭০ শতাংশ ভাৰতত আছে। ভাৰতৰ ব্যাঘ্ৰ সংৰক্ষণ প্ৰচেষ্টা দেশখনৰ প্ৰকৃতিৰ সৈতে মানুহৰ সহাৱস্থানৰ শতিকা পুৰণি পৰম্পৰাৰ দ্বাৰা প্ৰভাৱিত বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে দেশত বিজ্ঞানসন্মত সংৰক্ষণ, জনসাধাৰণৰ অংশগ্ৰহণ আৰু বহনক্ষম উন্নয়নৰ জৰিয়তে ব্যাঘ্ৰ সংৰক্ষণ ব্যৱস্থা শক্তিশালী কৰা হ'ব। এই দিৱস উপলক্ষে তেওঁ বন বিষয়া, বিজ্ঞানী আৰু ব্যাঘ্ৰ সংৰক্ষণৰ সৈতে জড়িত লোকসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত দূৰ কৰাৰ ক্ষেত্ৰত ভাৰতে শক্তিশালীভাৱে কাম কৰি যাব বুলিও তেওঁ প্ৰকাশ কৰে।

উল্লেখযোগ্য যে বাঘ সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতৰ স্থান অন্যতম। অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানেও এই দিশত বিশেষ সফলতা লাভ কৰিছে আৰু ২০০৭ চনত কাজিৰঙাই ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি লাভ কৰে।

মানস ৰাষ্ট্ৰীয় উদ্যানতো আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস পালন কৰা হৈছে। আজি ব্যাঘ্ৰ দিৱসৰ কাৰ্যসূচী অনুসৰি উদ্যানখনত সংৰক্ষণৰ দিশটো কেনেদৰে অধিক কাৰ্যক্ষম কৰি তুলিব পৰা হয় সেই সন্দৰ্ভত আলোচনা কৰা হয়।

ওৰাং ৰাষ্ট্ৰীয় উদ্যানতো আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস পালন কৰা হৈছে। এই উপলক্ষে সজাগতা সভাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে বাঘ সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰি অহাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ দুগৰাকী বন

কৰ্মী মমী বসুমতাৰী আৰু মৌচুমী দাসে ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণৰ পৰা আগবঢ়োৱা বঁটা গ্ৰহণ কৰিবলৈ নতুন দিল্লীলৈ গৈছে।

০০০০

অসমৰ বান পৰিস্থিতি সামান্য সুস্থিৰ হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। শেহতীয়া চৰকাৰী প্ৰতিবেদন অনুসৰি শিৱসাগৰ, গোলাঘাট, চৰাইদেউ, শোণিতপুৰ, যোৰহাট, নগাঁও আৰু কামৰূপ মহানগৰ জিলাৰ বহু অঞ্চল এতিয়াও বান প্ৰভাৱিত হৈ আছে। কালি শিৱসাগৰ জিলাত ৭ জন লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ফলত বানত প্ৰাণহানি হোৱা লোকৰ সংখ্যা ৭৫ লৈ বৃদ্ধি পাইছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি টেলিফোনযোগে অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কথা পাতি বান পৰিস্থিতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন আৰু সাহায্য প্ৰদানকে ধৰি বিভিন্ন দিশসমূহ আলোচনা কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰে এই পৰিস্থিতিত সকলো ধৰণে ৰাজ্য চৰকাৰক সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ডং শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি গৃহমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। ইপিনে, ৰাজ্য চৰকাৰে বানত হোৱা ক্ষয়-ক্ষতিৰ জোখ মৰাৰ লগতে পুনৰ সংস্থাপনত সহায়ক হোৱাকৈ এলানি ব্যৱস্থাৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ডং শৰ্মাই কালি বানত মৃত্যু হোৱা লোকৰ পৰিয়াললৈ ৪ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱা হ'ব বুলি কালি ফে'চবুক লাইভযোগে ঘোষণা কৰে। মৰণোত্তৰ পৰীক্ষা অবিহনে এই ধনৰাশি আগবঢ়োৱা হ'ব বুলি তেওঁ কয়। তদুপৰি ৰাজ্য চৰকাৰে বানত এমাহতকৈ অধিক দিন সন্ধানহীন হৈ থকা লোকৰ পৰিয়াললৈও ৪ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। বানত প্ৰাণহানি হোৱা লোকৰ পৰিয়ালে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অতিৰিক্ত ৫ লাখ টকাকৈ লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০

আজি সমগ্ৰ দেশতে গুৰু পূৰ্ণিমা উদযাপন কৰা হৈছে। ব্যাস পূৰ্ণিমাৰূপেও পৰিচিত এই উৎসৱ আধ্যাত্মিকতা আৰু শিক্ষাগুৰুৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰ প্ৰতীকস্বৰূপ। আজিৰ এই বিশেষ উৎসৱত জনসাধাৰণে তেওঁলোকৰ জীৱনত জ্ঞানৰ পোহৰ বিলোৱা শিক্ষাগুৰুৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

বুদ্ধত্ব প্ৰাপ্তিৰ পাছত ভগৱান বুদ্ধই আজিৰ এই পৱিত্ৰ দিনটোতেই তেওঁৰ অনুগামী আৰু শিষ্যসকলক প্ৰথম ধৰ্মোপদেশ দিছিল। এই উদ্দেশ্যে তেওঁ বুদ্ধগয়াৰ পৰা সাৰনাথলৈ যাত্ৰা কৰি পূৰ্ণিমাৰ দিনটোতেই ধৰ্মোপদেশ প্ৰদান কৰিছিল। বৌদ্ধধৰ্মী লোকসকলে ভগৱান বুদ্ধৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি উদযাপন কৰা এই দিনটো সেইবাবে গুৰু পূৰ্ণিমাৰূপে জনাজাত।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে গুৰু পূৰ্ণিমা উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতীয় সংস্কৃতিত গুৰুসকলে অতি উচ্চ আসন লাভ কৰি আহিছে। তেওঁ কয়, যে গুৰুসকলে কেৱল শিক্ষাই প্ৰদান নকৰে তেওঁলোকে মানুহক সত্য, কৰ্তব্য আৰু সেৱাৰ পথো অনুসৰণ কৰিবলৈ উদ্বুদ্ধ কৰি তোলে।

গুৰু পূৰ্ণিমা উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে জ্ঞান প্ৰদানৰ উপৰিও এগৰাকী গুৰুৱে নিয়মানুৱৰ্তিতা, আদৰ্শ আৰু মূল্যবোধৰ শিক্ষাৰে এগৰাকী লোকৰ জীৱন উজ্বলাই তোলে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো গুৰু পূৰ্ণিমা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে গুৰু পূৰ্ণিমা হৈছে ভাৰতীয় সংস্কৃতি উদযাপনৰ এনে এক অংশ যিয়ে শতিকাজুৰি জ্ঞান, মূল্যবোধ, সত্য আৰু মানৱীয়তাৰ ক্ষেত্ৰত পথ প্ৰদৰ্শন কৰি আহিছে। তেওঁ কয়, যে আমাৰ জীৱনক বিশেষ নিৰ্দেশনা, দৃষ্টিভংগী আৰু বোধৰ জ্ঞান প্ৰদান কৰা গুৰুসকলক আজিৰ এই পৱিত্ৰ দিনটোতে কৃতজ্ঞতা জনোৱা হয়।

গুৰু পূৰ্ণিমা উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে ভাৰতীয় সমাজ আৰু সংস্কৃতিত গুৰুসকলে অতি উচ্চ আসন লাভ কৰি আহিছে। মন্ত্ৰী শ্ৰীশ্বাহে জীৱনত জ্ঞান প্ৰদান, চৰিত্ৰ অভ্যাস গঠন আৰু সুন্দৰ ভৱিষ্যতৰ স্বপ্ন দেখুওৱা প্ৰতিগৰাকী গুৰুলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০

মণিপুৰ চৰকাৰৰ সহযোগত ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে আয়োজন কৰা ১৩৫ সংখ্যক ডুৰাণ্ড কাপ প্ৰতিযোগিতা কালি ৰাজ্যখনৰ খুমান লম্পক মূল ষ্টেডিয়ামত শুভাৰম্ভ কৰা হয়। উদ্বোধনী অনুষ্ঠানত মণিপুৰৰ চহকী ক্ৰীড়া ঐতিহ্য , ভাৰতীয় সশস্ত্ৰ বাহিনীৰ যুদ্ধ পৰম্পৰাৰ প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে ২৫ জুলাইৰ পৰা ২৩ আগষ্টলৈকে কলকাতা, ৰাঁচী, গুৱাহাটী, শ্বিলং আৰু ইম্ফলত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত শ্ৰীলংকাৰ সশস্ত্ৰ বাহিনীৰ এটা দলকে ধৰি ২৪ টা দলে ৪৩ খন খেলত অংশ ল'ব। কালিৰ উদ্বোধনী অনুষ্ঠানত মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, মুখ্যমন্ত্ৰী যুমনাম খেমচান্দ সিং , সেনাধ্যক্ষ জেনেৰেল ধীৰাজ ছেঠ , মণিপুৰৰ উপ-মুখ্যমন্ত্ৰী- ড ° লোছি দিখো , মণিপুৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী- গোবিন্দাস কণ্টৌজাম, উচ্চপদস্থ সামৰিক বিষয়াৰ লগতে জ্যেষ্ঠ অসামৰিক বিষয়া , প্ৰতিনিধি অংশগ্ৰহণকাৰীসকল উপস্থিত থাকে।

০০০০

সমাপ্ত